বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## মহানবী (ছাঃ) ৰ সত্য গোলাম হজৰত মছীহ মাওউদ (আঃ) ৰ মৰম-স্নেহ আৰু উদাৰতা তথা দানশীলতাৰ এক ঈমান উদ্দীপক বৰ্ণনা।

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনীন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ১০ জুলাই ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ (ইউ, কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে,

হজৰত শ্বেখ য়াকুব আলী চাহেব ইৰফানী (ৰাঃ)এ হজৰত মছীহ মাওউদ (আলাইহিচ্ছালাম)-ৰ জীৱনী বৰ্ণনা কৰি লিখিছে যে, তেখেত (আঃ) ৰ জীৱনত দানশীলতা আৰু উদাৰতাৰ আন এক অনন্য গুণ ফুটি উঠিছিল, যিটো আছিল মধ্যস্থতা। কেতিয়াবা তেখেত (আঃ) ৰ ওচৰলৈ এনে কোনো প্ৰাৰ্থী আহিছিল যাৰ অনুৰোধ পূৰণ কৰাটো তেখেতৰ নিজৰ হাতত নাছিল, বৰঞ্চ ইয়াৰ সম্পৰ্ক আনৰ সৈতে আছিল। এনে পৰিস্থিতিত, তেখেত (আঃ) য়ে সদায় এই নিয়ম মানি চলিছিল যে সেই ব্যক্তিজনৰ লাভৰ বাবে তেখেতে এনে লোকৰ মধ্যস্থতা কৰি দিছিল, যিসকলক তেখেতে কেতিয়াও নিজৰ কোনো ব্যক্তিগত প্ৰয়োজনৰ বাবে একো কোৱা নাছিল।

মিৰ্জা ইমামুদ্দিন চাহেব এই জামাতৰ এজন ঘোৰ শত্ৰু আছিল আৰু হজৰত (আঃ)ৰ পৰিয়ালৰ প্ৰতি তেওঁৰ গভীৰ শত্ৰুতা আছিল, কিন্তু হজৰত মছীহ মাওউদ (আঃ)এ পাৰ্থিৱ বিষয়বোৰত তেওঁৰ শত্ৰুতা সদায় আওকাণ কৰিছিল। অৰ্থাৎ, তেওঁৰ সৈতে কৰা ব্যৱহাৰত তেখেত (আঃ) য়ে কেতিয়াও কোনো পাৰ্থক্য কৰা নাছিল। তেওঁ প্ৰায়েই হজৰত মছীহ মাওউদ (আঃ)ৰ পৰা আৰ্থিক সহায় লৈছিল আৰু এই সকলোবোৰ উপকাৰ পোৱাৰ পিছতো তেওঁ বিৰোধিতা কৰিয়েই আছিল।

এবাৰ তেওঁ এটা ঘোঁৰা বিক্ৰী কৰিবলগীয়া হৈছিল আৰু ইয়াৰ বাবে তেওঁ আটাইতকৈ উত্তম উপায় হিচাপে এইটো স্থিৰ কৰিলে যে ঘোঁৰাটো জম্মুলৈ লৈ যোৱা হওক আৰু হজৰত হাকীমুল উম্মত মৌলৱী নুৰুদ্দিন চাহেব খলিফাতুল মছীহ আউৱল (ৰাঃ) ৰ জৰিয়তে উপস্থাপন কৰা হওক, যাতে ইয়াৰ বিনিময়ত তেওঁ এক মোটা অংকৰ ধন লাভ কৰিব পাৰে। এই কথা মনত ৰাখি তেওঁ নিজেই হজৰত মছীহ মাওউদ (আলাইহিচ্ছালাম)-ৰ ওচৰত অনুৰোধ কৰিলে যে আপুনি হজৰত হাকীমুল উম্মতৰ নামত এখন চুপাৰিছী চিঠি লিখি দিয়ক। তেখেত (আঃ) য়ে তেওঁৰ অনুৰোধ প্ৰত্যাখ্যান নকৰিলে আৰু কোনো দ্বিধাবোধ নকৰাকৈ হজৰত মৌলৱী চাহেব (ৰাঃ)ৰ নামত এখন চুপাৰিছী চিঠি লিখি দিলে।

মির্জা মহম্মদ বেগ পুত্র মির্জা আহমদ বেগ হোচিয়াৰপুৰীৰ পৰিয়ালটো অত্যন্ত অধাৰ্মিক আৰু এই জামাতৰ শত্ৰু হোৱাৰ বাবে তেওঁলোকৰ পৰিয়ালৰ সৈতে হজৰত মছীহ মাউওদ (আলাইহিচ্ছালামৰ) সম্পৰ্ক সুখকৰ নাছিল। মির্জা মহম্মদ বেগে জম্মুত চাকৰি কৰিব বিচাৰিছিল আৰু হুজুৰ (আঃ)-ৰ ওচৰত অনুৰোধ কৰিছিল যাতে হজৰত হাকিমুল উম্মত (ৰাঃ)ৰ নামত এখন চুপাৰিছ পত্ৰ লিখি দিয়ে, যাতে তেওঁ সহায় লাভ কৰিব পাৰে। তেখেত (আঃ) য়ে কোনো কুণ্ঠাবোধ নকৰাকৈয়ে চিঠিখন লিখি দিলে যে— যদিও তেওঁৰ পিতৃৰ মোৰ প্ৰতি শত্ৰুতা আছে, তথাপিও তাত কোনো কথা নাই যে তেওঁলোকৰ কঠোৰতাৰ বিপৰীতে কোমলতা অৱলম্বন কৰি **اِدْفَعْ بِالَّتِیْ ہِیَ اَحْسَنُ**(অৰ্থাৎ: বেয়াক উত্তমৰ দ্বাৰা প্ৰতিহত কৰা) ৰ পুণ্য অৰ্জন কৰা উচিত। গতিকে তেওঁক সহায় কৰি পুলিচ বিভাগত চাকৰি দিয়া হওক।

হজৰত শ্বেখ য়াকুব আলী চাহেব ইৰফানী (ৰাঃ)এ লিখিছে যে কাদিয়ানত নিহাল চান্দ নামৰ এজন ব্ৰাহ্মণ আছিল, যি তেওঁৰ যৌৱনকালত এজন বিখ্যাত গোচৰীয়া (মোকৰ্দমাবাজ) আছিল আৰু হজৰত চাহেব (আঃ)-ৰ পৰিয়ালৰ বিৰুদ্ধে প্ৰায়েই প্ৰতিযোগিতা আৰু দুষ্টামি কৰি আছিল। জীৱনৰ শেষ বয়সত তেওঁৰ আৰ্থিক অৱস্থা অত্যন্ত শোচনীয় হৈ পৰিছিল। আনকি কেতিয়াবা কেতিয়াবা তেওঁৰ দৈনিক প্ৰয়োজনীয় সামগ্ৰী যোগাৰ কৰাটোও কঠিন হৈ পৰিছিল। তেওঁ এবাৰ হজৰত আকদছ (আঃ)-ৰ দুৱাৰমুখলৈ আহি সাক্ষাৎ কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে আৰু নিজৰ দুখৰ কাহিনী শুনালে। তেখেত (আঃ) য়ে তেওঁক সান্ত্বনা দিলে আৰু ২৫ টকাৰ আৰ্থিক সহায় কৰিলে, লগতে ক'লে: 'যেতিয়াই প্ৰয়োজন হয়, মোক জনাবা।'

ইয়াৰ পিছত এইটো তেওঁৰ নিয়মীয়া অভ্যাসত পৰিণত হ'ল। তেওঁ প্ৰতি এক-দুই মাহৰ মূৰে মূৰে আহিছিল আৰু এটা ভাল পৰিমাণৰ ধন লৈ গৈছিল। এবাৰ তেওঁ হজৰত খলিফাতুল আউৱাল (ৰাঃ)ৰ পৰাও ঋণ লৈছিল। যেতিয়া তেখেত (ৰাঃ) য়ে ধন ঘূৰাই দিব বিচাৰিলে, তেতিয়া তেওঁ ক'লে: 'মির্জাজীয়ে (হজৰত মছীহ মাওউদ আঃ) তো মোক সদায় পইচা দিয়ে আৰু ইয়াৰ জৰিয়তে মোৰ সংসাৰ চলে। তেওঁ কেতিয়াও পইচা ঘূৰাই বিচৰা নাই।' গতিকে তেখেত (ৰাঃ) য়ে তেওঁক ৰেহাই দিলে।

হজৰত মির্জা বশ্বিৰ আহমদ চাহেব (ৰাঃ)এ লিখিছে যে ৱাই.এম.চি.এ. (YMCA)-ৰ সম্পাদক পাদৰী ৱাল্টাৰ চাহেব এম.এ.- তেওঁৰ কিতাপত হজৰত মছীহ মাওউদ আলাইহিচ্ছালামৰ সম্পৰ্কে এই মতামত লিখিছে,

'মির্জা চাহেব নিজৰ অভ্যাসত সৰল আৰু উদাৰ মনোভাৱৰ ব্যক্তি আছিল। তেওঁৰ বিৰোধীসকলৰ তীব্ৰ বিৰোধিতা আৰু নিৰ্যাতনৰ সময়তো তেওঁ যি নৈতিক সাহস দেখুৱাইছিল, সেয়া নিশ্চিতভাৱে প্ৰশংসনীয়। কেৱল এটা চুম্বকীয় আকৰ্ষণ আৰু অত্যন্ত সুখকৰ চৰিত্ৰ থকা এজন ব্যক্তিয়েহে তেনে লোকসকলৰ বন্ধুত্ব আৰু আনুগত্য লাভ কৰিব পাৰে, যাৰ ভিতৰত অন্ততঃ দুজনমান লোকে আফগানিস্তানত নিজৰ বিশ্বাসৰ বাবে প্ৰাণ আহুতি দিলে, তথাপিও মির্জা চাহেবৰ সংগ ত্যাগ নকৰিলে। মই যেতিয়া কিছুমান পুৰণি আহমদীক তেওঁলোকৰ আহমদী হোৱাৰ কাৰণ সুধিছিলো, তেতিয়া তেওঁলোকৰ সৰহ সংখ্যকেই আটাইতকৈ ডাঙৰ কাৰণ হিচাপে মির্জা চাহেবৰ ব্যক্তিগত প্ৰভাৱ আৰু তেওঁৰ আকৰ্ষণীয় ব্যক্তিত্বৰ কথাই উল্লেখ কৰিছিল।'

তেখেত (আঃ) য়ে যাক যি দিছিল, সেয়া কোনো লোকক দেখুৱা প্ৰদৰ্শনৰ বাবে নাছিল, বৰঞ্চ কেৱল আল্লাহ তা'লাৰ সন্তুষ্টিৰ বাবে আৰু 'খালকুল্লাহ' (আল্লাহৰ সৃষ্টি)-ৰ প্ৰতি দয়া-অনুগ্ৰহৰ দৃষ্টিকোণৰ পৰা দিছিল। সেইবাবেই সাধাৰণতে তেখেতে অত্যন্ত গোপনীয়ভাৱে দান কৰিছিল, আৰু কেতিয়াবা আনক ব্যৱহাৰিক শিক্ষা দিয়াৰ উদ্দেশ্যে প্ৰকাশ্যেও কৰিছিল। তেখেতৰ অভ্যাস আছিল যে তেখেতে কেতিয়াও কোনো প্ৰাৰ্থী বা সাহায্যপ্ৰাৰ্থীৰ কথা প্ৰত্যাখ্যান কৰা নাছিল। লগতে এইটোও তেখেতৰ নিয়ম আছিল যে কিছুমান মানুহৰ প্ৰয়োজনীয়তা অনুভৱ কৰি, তেওঁলোকে কোনো সহায় বিচৰাৰ আগতেই তেখেতে তেওঁলোকক সহায় কৰিছিল। ১৯০৪ চনত এবাৰ এগৰাকী নিষ্ঠাবান প্ৰব্ৰজনকাৰীক কিছু টকা

দিয়া হৈছিল এয়া ভাবি যে এইটো শীতকাল আৰু তেওঁক কাপোৰৰ প্ৰয়োজন হ'ব। যদিও তেওঁৰ ফালৰ পৰা কোনো দাবী বা অনুৰোধ নাছিল। তাৰ পিছত তেখেত (হজৰত মছীহ মাওউদ আঃ) য়ে অতি গোপনে মানুহক দান কৰিছিল আৰু ইয়াত বন্ধু-শত্ৰুৰ কোনো প্ৰভেদ নাছিল। শ্বেখ ফাতাহ মহম্মদ চাহাবে কয় যে যেতিয়াই মই হজৰত মছীহ মাওউদ আলাইহিচ্ছালামৰ সেৱাত উপস্থিত হৈছিলোঁ, তেতিয়াই তেওঁ সদায় মোৰ ভাড়া দিবলৈ সাজু আছিল। যদিও মোৰ কোনো প্ৰয়োজন নাছিল, কিন্তু হজৰতৰ উদাৰতা ইমান মহান আছিল যে তেখেতে নোসোধাকৈয়ে সদায় আগবঢ়াই দিছিল। এইটো কেৱল মোৰ লগতেই নহয়, বৰঞ্চ তেওঁ প্ৰায়ভাগ মানুহকে দি আছিল। চিৰিয়া আৰু আৰবৰ পৰা কিছুমান লোক আহিছিল আৰু তেখেতে তেওঁলোকক বহু দূৰৈৰ পৰা অহাৰ বাবে কেতিয়াবা যাত্ৰা খৰচ হিচাপে বহু পৰিমাণৰ ধন দিছিল। কেতিয়াবা মানুহে মুখেৰে নিবিচাৰি চিঠি লিখি দিছিল। কোনেও গম পোৱা নাছিল যে তেওঁ কিবা বিচাৰিছে, কিন্তু যেতিয়া হজৰত আকদছ (আঃ) য়ে ভিতৰৰ পৰা প্ৰাৰ্থীজনৰ বাবে কিবা পঠিয়াইছিল তেতিয়াহে গম পোৱা গৈছিল। অথবা কেতিয়াবা ভিতৰলৈ যোৱাৰ সময়ত কৈ গৈছিল যে তুমি বহা, মই আহি আছোঁ। যেতিয়া হজৰত চাহাব আহিছিল, তেতিয়া গম পোৱা গৈছিল যে তেওঁ প্ৰাৰ্থীজনৰ বাবে তেওঁৰ প্ৰয়োজনীয় বস্তু, নগদ ধন বা কাপোৰ লৈ আহিছে।

দাবী (নবুৱতৰ দাবী) কৰাৰ পূৰ্বে, তেখেতৰ ভাতৃৰ বিবাহৰ সময়ত তেওঁলোকে কিছুমান ছাগলী আনিছিল, যিবোৰ নাংগল বাঘবানাৰ এজন মানুহে চৰাইছিল। এদিন হুজুৰ (আঃ) য়ে ফুৰিবলৈ যাওঁতে বাটত সেই মানুহজনক দেখিলে। তেওঁৰ সৈতে তেওঁৰ পুত্ৰও আছিল, কিন্তু সি খালী ভৰিৰে আছিল। হুজুৰে তেওঁৰ ফালে চাই ক'লে, 'মিঞা, তুমি খালী ভৰিৰে ঘূৰি ফুৰিছা, তোমাৰ কাঁইট বিন্ধা নাইনে ?' তেওঁ উত্তৰ দিলে, হুজুৰ! মোৰ ওচৰত জোতা নাই। হুজুৰে নিজৰ জোতাযোৰ খুলি তাক পিন্ধাই দিলে। তেওঁ যেতিয়া ক্ষমা খুজি ল'বলৈ অস্বীকাৰ কৰিলে, তেতিয়া তেখেতে ক'লে, নহয়! ইয়াক পিন্ধা আৰু ব্যৱহাৰ কৰা। তাৰ পিছত তেখেতে খালী ভৰিৰেই ঘৰলৈ ঘূৰি আহিল। সেই সময়ত তেখেতৰ বয়স বিছ বা ত্ৰিশ বছৰ আছিল।

হুজুৰ আলাইহিচ্ছালাম নিজৰ মহৎ উপকাৰী আৰু পথপ্ৰদৰ্শক হজৰত মহম্মদ চাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ পদানুসৰণ কৰি উদাৰতা আৰু দানশীলতাৰ প্ৰতীক আছিল। তথাপিও, কেতিয়াবা আমি দেখিবলৈ পাওঁ যে কোনো বিশেষ প্ৰজ্ঞা বা কৌশলৰ বাবে তেখেতে প্ৰাৰ্থীজনক দান কৰাৰ পৰা বিৰত আছিল। শ্বেখ য়াকুব আলী চাহাব (ৰাঃ) য়ে লিখিছে যে ১৮৮৯ চনত তেখেত লুধিয়ানাত আছিল। তেখেতৰ ওচৰলৈ এজন প্ৰাৰ্থী আহি ক'লে যে মোৰ এজন আত্মীয়ৰ মৃত্যু হৈছে। মোৰ ওচৰত তেওঁৰ কফন-দফনৰ (শৱদেহ সৎকাৰ) বাবে কোনো ব্যৱস্থা নাই। হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে সন্মানীয় কাজী খাজা আলী চাহাব (ৰাঃ)ক ক'লে যে ইয়াৰ সৈতে গৈ কফনৰ সামগ্ৰীৰ ব্যৱস্থা কৰি দিয়া। সাধাৰণতে হুজুৰৰ এনে অভ্যাস নাছিল, বৰঞ্চ তেওঁ প্ৰাৰ্থীজনক পোনপটীয়াকৈ দি দিছিল। কাজী চাহাব প্ৰাৰ্থীজনৰ সৈতে ৰাওনা হ'ল আৰু কিছু সময়ৰ পিছত হাঁহি হাঁহি ঘূৰি আহি ক'লে যে প্ৰাৰ্থীজনে মিনতি আৰু তোষামোদ কৰিবলৈ ধৰিলে যে আপুনি নাযাব, যি দিবলগীয়া আছে ইয়াতেই দি দিয়ক। মই ক'লোঁ, নহয়! মোক এইটোৰেই আদেশ দিয়া হৈছে। তেতিয়া তেওঁ ক'লে, কোনো মৰাও নাই আৰু কফন-দফনৰো কোনো প্ৰয়োজন নাই। এইটো মোৰ পেচাহে। এতিয়া মোৰ ৰহস্য ফাদিল নকৰিব, এয়া কৈ সি গুচি গ'ল।

তেখেতে শিশুসকলৰ ইচ্ছা অনুসৰণ কৰিও দান কৰিছিল। বিবি ৰাণী, যিগৰাকী আজিজ বেগম হাকীম মহম্মদ ওমৰ চাহাব কাদিয়ানৰ পত্নীৰ মাতৃ তেওঁ উল্লেখ কৰিছিল যে মই ১৯০১ চনত চিঠিৰ জৰিয়তে বয়াত (শপত গ্ৰহণ) কৰিছিলোঁ। ১৯০২ চনত যেতিয়া মই কাদিয়ানলৈ আহিছিলো, তেতিয়া মোৰ সৰু ছোৱালীজনী মোৰ লগতে আছিল। হুজুৰ (হজৰত মছীহ মাওউদ আঃ) য়ে পুৱাৰ সময়ত ফুৰিবলৈ বাগিচাৰ পিনে গৈছিল। ময়ো প্ৰায়েই তেখেতৰ সৈতে গৈছিলোঁ। এদিন পুৱা যেতিয়া হুজুৰে আহাৰ গ্ৰহণ কৰি আছিল, তেতিয়া ময়ো তাত উপস্থিত হ'লোঁ। মোৰ সৰু ছোৱালীজনীয়ে কান্দিবলৈ

ধৰিলে। হুজুৰে সুধিলে, তাইৰ কি কৈছে? মই ক'লোঁ, তাই ৰুটী খুজিছে। হুজুৰে তাইক ৰুটী দিলে কিন্তু তাই শান্ত নহ'ল। তাৰ পিছত আকৌ সুধিলে, এতিয়া কি কৈছে? মই কলো, তাই সেই ৰুটীখন খুজিছে যিখন হুজুৰে নিজে খাই আছে। হুজুৰে নিজৰ হাতত থকা সেই ৰুটীখনকে তাইক দি দিলে আৰু তাৰ পিছত তাই শান্ত হৈ খাবলৈ ধৰিলে।

হুজুৰ আনোৱাৰে (হজৰত খলীফাতুল মছীহ) ক'লে যে যোৱা খুতবাত মই এটা ঘটনা বৰ্ণনা কৰিছিলোঁ যে যেতিয়া লংগৰৰ (ৰাজহুৱা পাকঘৰ) খৰচ বাঢ়ি গৈছিল, তেতিয়া হজৰত মছীহ মাওউদ (আঃ)-এ হজৰত আম্মা জান (ৰাঃ)ৰ অলংকাৰ বিক্ৰী কৰি খৰচ যোগাৰ কৰিছিল। ইয়াৰ ওপৰত যোৱা সপ্তাহত মোক কোনোবাই প্ৰশ্ন কৰিছে যে প্ৰয়োজন হ'লে পত্নীৰ অলংকাৰ স্বামীৰ ব্যৱহাৰলৈ আহিব পাৰেনে বা খৰচ কৰিব পৰা যায়নে?

গতিকে এইটো স্পষ্ট হোৱা উচিত যে হজৰত মছীহ মাওউদ (আঃ)-এ ঋণ লৈছিল আৰু তাক ঘূৰাই দিছিল। এই সন্দৰ্ভত এটা বৰ্ণনা আছে। হজৰত মিৰ্জা বশ্বিৰ আহমদ চাহাব (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে হজৰত উম্মুল মোমেনীনৰ পৰা টকা ধাৰ লৈছিল। ঘেঁহু ক্ৰয় কৰি লংগৰৰ খৰচ আৰু ঘৰৰ খৰচ চলাইছিল, কাৰণ তেখেতৰ ঘৰৰ পৰাই বহু পৰিমাণৰ খাদ্য ৰন্ধা হৈছিল। পৰৱৰ্তী সময়ত হুজুৰে চৌধুৰী ৰুস্তম আলী চাহাবৰ পৰা ৫০০ টকা আৰু কিছু ঘিঁউৰ পাত্ৰ আনিছিল আৰু হজৰত আম্মা জান (ৰাঃ) ৰ ঋণ পৰিশোধ কৰিছিল।

আন এটা ঘটনা খাদ্যৰ বৰকত সম্পৰ্কীয়। হজৰত মিয়াঁ আব্দুল্লাহ চাহাব ছানুৰী (ৰাঃ) য়ে কয় যে এবাৰ হজৰত মছীহ মাওউদ (আঃ)-এ কেইগৰাকীমান অতিথিৰ বাবে ভোজৰ আয়োজন কৰিছিল। খোৱাৰ সময়ত আৰু সমানেই অতিথি আহি পালে। হজৰত আম্মা জান (ৰাঃ)এ ক'লে যে বুজাপৰা কৰি খাদ্যৰ ব্যৱস্থা কৰিব পৰা যাব, কিন্তু 'জৰ্দা' (এবিধ মিঠা ভাত) অতি কম আছে, এইটো পঠাব নোৱাৰি। হুজুৰে ক'লে, নহয়! এইটো উচিত নহয়। তুমি জৰ্দাৰ পাত্ৰটো মোৰ ওচৰলৈ আনা। তেখেতে সেই পাত্ৰটোৰ ওপৰত এখন ৰুমাল দিলে আৰু ৰুমালৰ তলেৰে হাতখন সুমুৱাই নিজৰ আঙুলিবোৰ জৰ্দাৰ ভিতৰত সুমুৱাই দিলে আৰু তাৰ পিছত ক'লে, সকলোৰে বাবে খাদ্য উলিওৱা। যেতিয়া এই খাদ্য পৰিৱেশন কৰা হ'ল, সকলোৱে খালে আৰু কিছু জৰ্দা বাচিও থাকিল।

এইবোৰ হৈছে তেখেত (আলাইহিচ্ছালাম)ৰ উদাৰতা আৰু দয়ালুতাৰ কেইটামান ঘটনা, য'ত তেখেতে নিজৰ প্ৰভু আৰু মাওলা (হজৰত মহম্মদ ছাঃ) ৰ অনুসৰণ কৰি এনে এক আদৰ্শ দেখুৱাইছে যাৰ দ্বাৰা আপোন আৰু পৰ, আনকি শত্ৰু সকলোৱেও উপকৃত হৈছিল।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لاَّ اِلٰهَ اِلاَّ اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ـ

Assamese Khulasa Khutba Hazur Anowar 10 July 2026

Nazarat Nashor-O-Ishaat Qadian